তোমালোকৰ মাজৰ প্ৰত্যেকেই আল্লাহৰ লগত এনেকৈ কথা ক'ব যে, তাৰ আৰু আল্লাহৰ মাজত কোনো অনুবাদকাৰী নাথাকিব।

আদী বিন হাতিম ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকৰ মাজৰ প্ৰত্যেকেই আল্লাহৰ লগত এনেকৈ কথা ক'ব যে, তাৰ আৰু আল্লাহৰ মাজত কোনো অনুবাদকাৰী নাথাকিব। তেতিয়া সি নিজৰ সোঁফালে চাব, তেতিয়া তাত কেৱল নিজৰ আমলহে দেখা পাব, আৰু বাওঁফালে লক্ষ্য কৰিব, তাতো কেৱল নিজৰ আমলহে দেখা
পাব, আৰু সন্মুখৰ পিনে চাব, তাত দেখা পাব জাহান্নাম। গতিকে জাহান্নামৰ জুইৰ পৰা
বাচিবলৈ চেষ্টা কৰা, যদিও এটুকুৰা খেজুৰৰ জৰিয়তেই নহওক কিয়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ দিনা প্ৰতিজন মুমিন ব্যক্তি আল্লাহৰ সন্মুখত অকলেই থিয় হ'ব। মহান আল্লাহে তেওঁৰ সৈতে কোনো মাধ্যম নোহোৱাকৈয়ে কথা পাতিব, উভয়ৰ মাজত কোনো অনুবাদক নাথাকিব কথোপকথনৰ অনুবাদ কৰিবলৈ। ঠিক সেই ভীত-সন্ত্ৰস্ত অৱস্থাত তেওঁ সোঁফালে আৰু বাওঁফালে চাব, এই আশাত যে, সন্মুখত থকা জাহান্নামৰ পৰা মুক্তি পোৱাৰ কোনো উপায় আছে নেকি। তেওঁ যেতিয়া সোঁফালে দৃষ্টিপাত কৰিব, তেতিয়া তাত তেওঁ পৃথিৱীত কৰি অহা নেক আমলৰ বাহিৰে আন একো দেখা নাপাব। আনহাতে যেতিয়া বাওঁফালে দৃষ্টিপাত কৰিব, তেতিয়া তেওঁ নিজৰ বেয়া আমলৰ বাহিৰে আন একো দেখা নাপাব। এইদৰে যেতিয়া সন্মুখৰ ফালে দৃষ্টিপাত কৰিব তেতিয়া জাহান্নামৰ বাহিৰে একো দেখা নাপাব। ইয়াৰ পৰা পলায়ন কৰাও সম্ভৱ নহয়, জাহান্নামৰ ওপৰত স্থাপিত পুলচিৰাতেৰে তেওঁ পাৰ হ'বই লাগিব। ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে নিজকে জাহান্নামৰ পৰা ৰক্ষা কৰিবলৈ নেক আমল কৰা আৰু চাদাক্বাৰ জৰিয়তে ৰক্ষাকবচ বনাই লোৱা। যদিও কম পৰিমাণেই নহওক কিয়, সেয়া লাগিলে অৰ্দ্ধেক খেজুৰে হওক।

http://www.sunnah.global/hadeeth/as/show/6615